দেৱজিৎ ভূঞা

# এলে বেলে MBA পাছ



## দ্বিতীয় অধ্যায়


আমাৰ দিনত স্কুলীয়া জীৱন আৰম্ভ হৈছিল ২৫ পইচা বা চাৰি অনাৰে। আমাৰ মায়ে নিজেও স্কুলত কাম কৰিছিল আৰু এদিন আমাক এল পি স্কুল বা নিম্ন বুনিয়াদী বিদ্যালয়লৈ লগত লৈ গৈ ২৫ পইচা দি নাম লিখাই দিলে। 'ক' শ্ৰেণীত নামভৰ্তি কৰাৰ প্ৰথম দিনাই মোৰ মেনেজমেণ্ট শিক্ষাৰ লগত পৰিচয় হ'ল। আচলতে তেতিয়া জনা নাছিলো এয়া মেনেজমেণ্ট বা এম বি এ শিক্ষাৰ পাঠ। 'ক' শ্ৰেণীত আমাৰ ১২ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল আৰু স্কুলৰ বাইদেৱে মোলৈ চাই ক'লে— 'আজিৰ পৰা তুমি 'ক' শ্ৰেণীৰ বৰ্গ মন্ত্ৰী'। সেই সময়ত আমাৰ স্কুলত প্ৰতিটো শ্ৰেণীতে একোজনকৈ বৰ্গ মন্ত্ৰী আছিল। আৰু তাৰ লগত আছিল প্ৰধানমন্ত্ৰী, কৃষ্টি মন্ত্ৰী, চাফাই মন্ত্ৰী। প্ৰধানমন্ত্ৰী আছিল সকলোৰে ওপৰত। সাধাৰণতে তৃতীয় শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীকহে সেই দায়িত্ব দিয়া হয়। দেশৰ প্ৰধানমন্ত্ৰীৰ দৰে স্কুলত প্ৰধানমন্ত্ৰীৰ দায়িত্ব অসীম। চাফাই মন্ত্ৰীৰ দায়িত্ব হ'ল স্কুল আৰু ইয়াৰ চাৰিসীমা পৰিষ্কাৰকৈ ৰখা। সকলো ছাত্ৰ-ছাত্ৰীয়ে চাফাই কামত সমানে কাম কৰিব লাগিব। ফুলনি বাগানত ফুল ৰুব লাগিব, পানী দিব লাগিব, শ্ৰেণীকোঠা জাৰু দিব লাগিব। কৃষ্টি মন্ত্ৰীৰ দায়িত্ব হ'ল ৯.৪৫ বজাত বেল বজাই সকলোকে শাৰী পতাই প্ৰাৰ্থনা আৰু অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' গোৱোৱা। বৰ্গমন্ত্ৰীৰ কাম হ'ল নিজৰ শ্ৰেণীটো হুলস্থূল নোহোৱাকৈ শৃংখলাবদ্ধভাৱে ৰখা আৰু কোনোবাই হুলস্থূল কৰিলে নাম লিখি বাইদেউৰ হাতত দিয়া।

আমাৰ স্কুলত ৬০-৭০ জন ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰথমে মাত্ৰ এগৰাকী শিক্ষয়িত্ৰী আছিল। কিন্তু বাইদেৱে Delegation of power ইমান ধুনীয়াকৈ কৰি থৈছিল যে কিবা কাৰণত ১০ বজাত স্কুল আহি নাপালেও সকলো ছাত্ৰ-ছাত্ৰী সুকলমে নিজৰ নিজৰ শ্ৰেণীত বহি কিতাপ-পত্ৰ উলিয়াই লৈছিল। শ্ৰেণীকোঠা বুলি ক'লে আচলতে এটা ডাঙৰ হলঘৰ আৰু একো একোটা চুকত এটাকৈ শ্ৰেণী। তথাপি এটা ডাঙৰ ৰুমত কেনেকৈ একেলগে পাঁচটা শ্ৰেণী সুকলমে বাইদেৱে চলাই গৈছিল বা চলি থাকিছিল সঁচাকৈয়ে এতিয়া ভাবিলে আচৰিত লাগে।

মই যেতিয়া কোম্পানীৰ চাকৰিত যোগদান কৰিছিলো সেই সময়ত আমাৰ কোম্পানীত Delegation of power আৰু বিষয়াবৰ্গৰ duties and responsibilities নিৰ্ধাৰিত হ'ব লাগে বুলি দাবী আৰু বিতৰ্ক আৰম্ভ হৈছিল। বহু বিতৰ্ক আৰু কমিটীৰ পৰামৰ্শ আৰু মেনেজমেণ্ট কনছালটেণ্টৰ প্ৰতিবেদনৰ পাচত প্ৰস্তুত হৈছিল Delegation of power। অথচ মেনেজমেণ্টৰ শিক্ষা নজনাকৈ বাইদেৱে স্কুলত আমাক দিছিল Delegation of power ৰ ব্যৱহাৰিক জ্ঞানৰ ভেটি।

এল পি স্কুল বা প্ৰাথমিক বিদ্যালয়ৰ কোঠাতেই আমাৰ আৰম্ভ হৈছিল আন এক পাঠ— Leadership development। স্কুলত যদিও বৰ্গ মন্ত্ৰী বাইদেৱে নিৰ্বাচন কৰি দিছিল তথাপি কিন্তু গুৰুত্বপূৰ্ণ মন্ত্ৰীসমূহ— প্ৰধানমন্ত্ৰী, কৃষ্টি মন্ত্ৰী, চাফাই মন্ত্ৰী নিৰ্বাচন কৰিব লাগিছিল ছাত্ৰ-ছাত্ৰীয়ে নিজেই। হাত






দাঙি তেতিয়া আমি নিৰ্বাচন কৰিছিলো আমাৰ প্ৰধানমন্ত্ৰী, কৃষি মন্ত্ৰী আৰু চাফাই মন্ত্ৰী। যদিও বাইদেৱে কেতিয়াবা কাৰোবাৰ নাম কৈছিল তথাপি কিন্তু কোন প্ৰধানমন্ত্ৰী হ'ব, কোন চাফাই মন্ত্ৰী হ'ব, কোন কৃষি মন্ত্ৰী হ'ব কেতিয়াও জাপি নিদিছিল। সেয়ে স্বতঃস্ফূৰ্তভাৱে অংকুৰণ হৈছিল আগভাগ আৰু নেতৃত্ব ল'ব পৰা ছাত্ৰ-ছাত্ৰীৰ। মেনেজমেণ্ট বা এম বি এ শিক্ষাৰ এক প্ৰধান লক্ষ্য হ'ল Leader বা নেতাৰ সৃষ্টি কৰা। মেনেজাৰ এজন গঢ়াতো সহজ কিন্তু এজন নেতা বা লীডাৰ সৃষ্টি কৰা অতি কঠিন। সেয়ে সৰুতে যদি স্কুলত নেতৃত্বৰ বাবে বীজৰ অংকুৰণ নহয় কেৱল এম বি এ পাছ কৰি বা মেনেজমেণ্টৰ শিক্ষা লৈ এজন মেনেজাৰ হ'ব পাৰিলেও কেতিয়াও এজন নেতা বা প্ৰকৃত লীডাৰ সৃষ্টি হ'ব নোৱাৰে।

স্কুলৰ সৰু সৰু অনুষ্ঠান আয়োজন কৰাৰ জৰিয়তেও আমাক উৎসাহ যোগোৱা হৈছিল Event managementৰ আদিপাঠৰ বাবে। সৰস্বতী পূজা, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আৰু বিদায় সভা— এই চাৰিটাই আছিল এল পি স্কুলত আমাৰ প্ৰধান উৎসৱ। ইয়াৰ ভিতৰত সকলোতকৈ ডাঙৰ পৰ্ব বা উৎসৱ আছিল বিদায় সভা। তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে একলগ হৈ বিদায় সভা পাতিব লাগে। Team work আৰু Team spiritৰ যেন প্ৰথম প্ৰায়োগিক শিক্ষা। জীৱনত বহুতো মানুহ দেখিছো যিয়ে এককভাৱে কোনো ডাঙৰ কাম কৰিব পাৰে, কিন্তু দলবদ্ধভাৱে বা টীমত কাম কৰিব নোৱাৰে। এটা অনুষ্ঠান, কোম্পানী বা দেশৰ প্ৰগতি আৰু উন্নতিৰ বাবে টীম ৱৰ্ক সকলোতকৈ গুৰুত্বপূৰ্ণ। দলবদ্ধভাৱে এক হৈ যদি কাম কৰিব পৰাৰ ক্ষমতা নাথাকে তেন্তে মানুহ কেতবোৰ বিষয়ত কৃতকাৰ্য হ'লেও জীৱনৰ শেষ হিচাপত কেতিয়াও কৃতকাৰ্য নহয়। প্ৰাথমিক স্কুলৰ আমাৰ পাঁচজন বৰ্গ মন্ত্ৰী, প্ৰধানমন্ত্ৰী, কৃষি মন্ত্ৰী আৰু চাফাই মন্ত্ৰীৰ টীম ৱৰ্কৰ বাবেই আমাৰ স্কুল পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকাৰ লগতে সদায়ে পৰীক্ষাৰ ফলাফলতো জিলিকি আছিল।

'ক' শ্ৰেণীত বৰ্গমন্ত্ৰী হোৱাৰ পৰা তৃতীয় শ্ৰেণী প্ৰধানমন্ত্ৰী হোৱালৈকে প্ৰাথমিক শিক্ষা জীৱনৰ যি পৰিক্ৰমা সেই পৰিক্ৰমাই আমাক যি ভেটি গঢ়ি দিলে এম বি এ বা মেনেজমেণ্ট পাঠ্যক্ৰমৰ মাজত সেই ভেটি সৃষ্টি হোৱাটো কঠিন। তৃতীয় শ্ৰেণীত আমি আমাৰ বিদায় সভা আয়োজন কৰাৰ পৰিকল্পনা, অৰ্থনৈতিক দিশৰ চোৱা-চিতা (Final Management) আৰু সুকলমে বিদায় সভা শেষ কৰি বাইদেউৰ হাতত শ্ৰেণীৰ সকলোৱে উপস্থিতিত হিচাপ দাখিল কৰা কথাটো আমাৰ সদায়ে কোম্পানীসমূহৰ বাৰ্ষিক মিটিঙত Balance sheet দাখিল কৰাৰ দৰে লাগে। আমাৰ সময়ত টকাৰ মূল্য যথেষ্ট আছিল। আমি যেতিয়া বিদায় সভা পাতিবৰ বাবে পাঁচ টকাকৈ উঠোৱাৰ প্ৰস্তাৱ দিলো আমাৰ শ্ৰেণীৰ বাৰজন ছাত্ৰ-ছাত্ৰীৰ বহুকেইজনে অপাৰগতা প্ৰকাশ কৰিলে। বহু আলোচনা-বিলোচনাৰ পাচত চাৰি টকাকৈ উঠোৱাৰ সিদ্ধান্ত হ'ল। অৰ্থাৎ ৪৮ টকাৰ বাজেট। ৪৮ টকাৰ বাজেটেৰে মাহ-প্ৰসাদ-কল-কমলা আৰু চাহৰ লগত বুন্দিয়া-ভুজিয়া। বাৰজনৰ মাজৰে দুজনমানে আকৌ চাৰি টকাকৈ দিব নোৱাৰিব বাবে ঘৰত হোৱা কল এঠোক এঠোক দিব বুলি কৈ তিনি টকাকৈ দিব বুলি ক'লে। বাজেটত ঘাটি হৈ সেয়ে ৪৫ টকা হ'ল। আমাৰ বাৰজনীয়া টীমটো ইমান holistically কামত লাগিছিল যে আমাৰ বিদায় সভা অতি সুন্দৰভাৱে হৈ গ'ল। দল হিচাপে কাম কৰাৰ মাদকতা ভালদৰে উপলব্ধি কৰিলো। ৰাজহুৱা কামত কৃপণালি কৰি খৰচ কৰা মোৰ স্বভাৱটো হয়তো বিদায় সভাৰ পৰাই আৰম্ভ হ'ল আৰু চলি আছে। ৪৫ টকাৰে আমাৰ বিদায় সভা হোৱাৰ পাচত ১.২৫ টকা থাকি গ'ল আৰু সেই পইচা আমি বাইদেউৰ হাতত জমা দিলো সৰস্বতী পূজাত খৰচ কৰিবৰ বাবে। ইয়াৰ পাচত জীৱনত বহুতো Event organize কৰিছো যদিও এতিয়াও বিদায় সভা আমাৰ মনত সজীৱ হৈ থকাৰ লগতে তাৰ জৰিয়তে লাভ কৰা টীম ৱৰ্কৰ অভিজ্ঞতা, টকাৰ নাটনি সত্বেও সুকলমে কাম সমাধা কৰাৰ অভিজ্ঞতা আদিৰ শিক্ষা আজিও সদায়ে সহায়ক হৈ আহিছে।

মেনেজমেণ্ট বা এম বি এ শিক্ষাৰ এক গুৰুত্বপূৰ্ণ বিষয় হ'ল Team spirit আৰু team work। এইখিনিতে সেয়ে এটা সাধু কথা মনত পৰিছে।



ভাৰতবৰ্ষলৈ যেতিয়া প্ৰথম মাৰুতি কোম্পানী আৰু জাপানী লোকসকল কাম কৰিবৰ বাবে আহে তেতিয়া তাত এটা ৰগৰ (joke) চলিছিল যে এজন ভাৰতীয় শ্ৰমিক (Worker) দহজন জাপানী শ্ৰমিকৰ সমান। কিন্তু দহজন ভাৰতীয় শ্ৰমিক এজন জাপানীৰ সমান। অৰ্থাৎ অকলে এজন শ্ৰমিক অতি পাৰদৰ্শী, efficient আৰু productive। কিন্তু যেতিয়া টীম বা দলবদ্ধভাৱে কাম কৰিব লগা হয় তেতিয়াই নিজৰ মাজত লগা খোৱা-কামোৰাৰ বাবে efficiency আৰু পাৰদৰ্শিতা নোহোৱা হয়। সকলোৱে নিজকে জাহিৰ কৰাৰ স্বাৰ্থত নিজকে শ্ৰেষ্ঠ প্ৰতিপন্ন কৰাৰ বাবে মূল কাম বা উদ্দেশ্য পিচপৰি ৰয়। তাৰ মাজতে আকৌ আমাৰ দেশপ্ৰেম নাই। অসমৰ ক্ষেত্ৰততো আৰু সাংঘাতিক। আমাৰ কেঁকোৰা মানসিকতা আৰু logpulling মানসিকতা। Team spirit লৈ কাম কৰিব নোৱাৰিলে কোনো organisation, কোম্পানী বা দেশৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। আৰু এই টীম স্পিৰিট বা টীম ৱৰ্কৰ মানসিকতা গঢ়ি তুলিব লাগিব স্কুলৰ অ-আ, ক-খৰ দিনৰ পৰা। পাচৰ জীৱনত ইয়াক জোৰকৈ জাপি দিব নোৱাৰি।

দলবদ্ধ কাম বা টীম ৱৰ্কৰ কথা ক'বলৈ লওঁতে এটা কথা মনত পৰিছে। আমি সদায়ে দেখি থকা শৰালি হাঁহজাকৰ উৰি যোৱা দৃশ্যটোলৈ। শৰালি হাঁহজাকে সদায় উৰি যাওঁতে ইংৰাজী 'V' আকৃতিত উৰি যায়। ইয়াৰ কাৰণ হ'ল এয়ে যে V আকৃতিত দলবদ্ধভাৱে উৰিলে গোটেই জাকটোৰ কাৰ্যদক্ষতা (flock efficiency) ৭১ শতাংশ বৃদ্ধি পায়। অৰ্থাৎ এটা শৰালি অকলে উৰিলে যিমান কাৰ্যদক্ষতাৰে সি উৰিব পাৰিলেহেঁতেন, তাতকৈ ৭১ শতাংশ অধিক কাৰ্যদক্ষ হিচাপে সি উৰিব পাৰে। ইয়াৰ পৰা আমি বুজি পাওঁ যে যিটো কাম আমি একেলগে এটা টীম বা দল হিচাপে অতি কম কষ্ট আৰু অনায়াসে কৰিব পাৰো সেই একেটা কামকে অকলে কৰিব গ'লে তাতকৈ বহুত অধিক কষ্ট বা ধন-জন ব্যয় কৰিব লাগিব। শৰালিজাক উৰি যাওঁতে কেতিয়াবা একো একোটা চৰাই হঠাৎ Vৰ পৰা আঁতৰি যায় কিন্তু তেতিয়াই সি বায়ুৰ অধিক বাধা অনুভৱ কৰে আৰু পুনৰ জাকটোৰ V আকৃতিৰ ওচৰলৈ গুচি আহে। শৰালি জাকটোৰ আগত নেতৃত্ব দিয়াৰ বাবে এটা চৰাই থাকে। কিন্তু সি যদি কিবা কাৰণত ভাগৰি যায় তেন্তে তৎক্ষণাত পিচলৈ গুচি আহে আৰু আন এটা চৰায়ে আগত উৰি নেতৃত্ব বহন কৰে। অৰ্থাৎ জাকটোৰ নেতৃত্ব সমূহীয়া নেতৃত্ব আৰু সকলোৱে দলত সমান সুযোগ পায়।

দলবদ্ধভাৱে বা টীম হিচাপে কাম কৰিলে যে অকলে কৰাতকৈ অধিক কাৰ্যদক্ষতা বা উৎপাদকতা পাব পাৰি তাক আমি সৰু কালৰে পৰা দেখি আহিছো। আমাৰ ঘৰৰ ওচৰতে আছিল খেৰখণ্ডা (মানুহৰ মুখ বাগৰি হৈছিলগৈ খেৰখনা) বিল। আমি দুই-চাৰিজন বন্ধু লগ হৈ কেতিয়াবা জাল লৈ তাত মাছ মাৰিবলৈ যাওঁ। কিন্তু খুব কমেইহে মাছ পাওঁ আৰু কেতিয়াবা একেবাৰে নাপাওঁ। বছৰত প্ৰতিবাৰে মাঘৰ বিহুৰ আগতে ওচৰৰ সকলো গাঁৱৰ মানুহে দলবদ্ধভাৱে বিলত মাছ মাৰিবলৈ আহে। সেইদিনা কিন্তু সকলোৰে হাতে হাতে মাছ। আৰু যদি কোনোবাই মাছ নাপায়ো তথাপি খালী হাতে আহিব নালাগে। কাৰণ সৰহ মাছ পোৱা লগৰ মানুহে নোপোৱাজনৰ খালৈ পূৰ কৰি পঠায়। শৰালিজাক যেনেকৈ একেলগে উৰিলে কাৰ্যদক্ষতা বৃদ্ধি পায় একেদৰে দলবদ্ধভাৱে মাছ মাৰিলে কাৰ্যদক্ষতা বহুগুণে বৃদ্ধি পায়। এয়া এটা উদাহৰণ মাত্ৰ। এনে উদাহৰণ আৰু বহুতো ওলাব।

টীম ৱৰ্ক বা দলবদ্ধ কামৰ কথা ভাবিলে মোৰ সদায়ে মনত পৰে আমাৰ স্কুলৰ দিনৰ ফুটবল খেলবোৰলৈ। ফুটবল খেলৰ বিশেষত্ব এয়েই যে এই খেলে সৰুতে টীম স্পিৰিট গঢ় লোৱাত বিস্তৰ সহায় কৰে। এজন বা দুজন খেলুৱৈয়ে ভাল খেলি কেতিয়াও দলক বিজয়ী কৰিব নোৱাৰে। গ'লকীপাৰ, ফুলবেক, হাফবেক, লিংকমেন, চেণ্টাৰ, ফৰৱাৰ্ড সকলোৰে লাগিব সমন্বয় আৰু সম্পূৰ্ণ প্ৰচেষ্টা। তদুপৰি খেলপথাৰৰ বাহিৰত থাকি খেলৰ আগত আৰু খেলৰ সময়ত দলক উৎসাহ জনাবৰ বাবেও লাগিব দলৰ সদস্য। তাহানি স্কুলৰ ফুটবল দলত আজিৰ দৰে Coach, Physiotherapist ইত্যাদি নাছিল। দলটোৰ পোন্ধৰ-যোল্ল সদস্যই সকলো দিশ সামৰি লৈছিল। Teacher inchargeৰ তত্বাৱধানত সকলো কাম সুকলমে চলিছিল। ফুটবল খেলে এখন বিদ্যালয়ক এক কৰি ৰাখিছিল আৰু স্কুলৰ ফুটবল দলত খেলাটো গৌৰৱৰ বিষয় আছিল। স্কুলৰ ফুটবলৰ কথা ক'বলৈ গৈ চমৰুৰ কথা ক'বই লাগিব। ভাল ফুটবল নেখেলাকৈও চমৰুৰ স্থান স্কুলৰ দলত সদায় নিশ্চিত আছিল অতিৰিক্ত খেলুৱৈ হিচাপে। কাৰণ প্ৰয়োজনীয় জাৰ্ছী, বুট আৰু অন্যান্য সামগ্ৰী টীমত যোগান ধৰাৰ উপৰি বাহিৰত খেলিবলৈ গ'লে ভাত ৰন্ধাৰ পৰা বাচন ধোৱালৈকে কোনো কামতে চমৰুৰ নাছিল লাজ বা শংকা। সেয়ে কেপ্টেইন নহ'লে দল চলিলেও বাৰ নম্বৰ খেলুৱৈ চমৰু নহ'লে দল নচলাৰ দৰে আছিল। কোম্পানীৰ চাকৰিৰ দিনত সেয়ে যেতিয়া আমি টীম স্পিৰিট ৰাখি জোতা চিলাইৰ পৰা চণ্ডীপাঠলৈকে কাম কৰিবলগা হৈছিল মোৰ মনলৈ স্কুলৰ চমৰুৰ কথা আহিল আৰু কেতিয়াও লাজ বা সংকোচবোধে আমনি কৰা নাছিল। ■

